# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-04-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। অসম, পুডুচেৰী, তামিলনাডু, কেৰলম্ আৰু পশ্চিমবংগৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। ভাৰতীয়সকলৰ নিৰাপত্তাৰ ক্ষেত্ৰত বিশেষকৈ মধ্যপ্ৰাচ্যত থকা কেৰলমৰ নাগৰিকসকলক চৰকাৰে উচ্চ অগ্ৰাধিকাৰ দিব।

৩। পশ্চিম এছিয়াৰ সংঘৰ্ষৰ বাবে ইৰাণত আবদ্ধ হৈ পৰা ৩৪৫ গৰাকী ভাৰতীয় মাছমৰীয়া কালি সন্ধিয়া নিৰাপদে চেন্নাইত উপস্থিত হয়।

৪। ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণক হৰমুজ প্ৰণালী মুকলি কৰি দিয়াৰ বাবে ৪৮ ঘণ্টাৰ সময়সীমা বান্ধি দিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি ৰাজস্থান ৰয়েলছে গুজৰাট টাইটানছক ৬ ৰানত পৰাস্ত কৰে।

ooooo

অসম, পুডুচেৰী, তামিলনাডু, কেৰলম্ আৰু পশ্চিমবংগৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰে তীব্ৰ গতি লাভ কৰিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কালি অসমৰ কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কৌশিক ৰায়ৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। লাবক খেলপথাৰত আয়োজিত এই জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াইও অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে শ্ৰীভূমিৰ ৰামকৃষ্ণ নগৰতো দলটোৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি শিৱসাগৰ জিলাৰ নামতি বৰছলাত নিৰ্বাচনী প্ৰচাৰ চলায়। নিজৰ ভাষণত তেওঁ ৰাজ্যত পুনৰ বিজেপিৰ চৰকাৰ হ'ব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই চৰাইদেউ জিলাৰ মাহমৰা আৰু সোণাৰিতো দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ নাজিৰা আৰু মৰিয়নী সমষ্টিতো নিৰ্বাচনী সভাত অংশ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি দুলীয়াজান সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত ভাগ লয়। শ্ৰীসোণোৱালে সন্ধিয়া গুৱাহাটীৰ মালিগাঁৱৰ মিঠা আমতলত মধ্য গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজয় গুপ্তাৰ হৈ প্ৰচাৰ চলায়।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কালি গৌৰীপুৰ, বিলাসীপাৰা আৰু পৰ্বতঝোৰাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ নলবাৰী বিধানসভা সমষ্টিত মিত্ৰদলৰ প্ৰাৰ্থী অশোক শৰ্মাৰ হৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। একেদৰে প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক মেঘনাথ চেত্ৰীয়ে ন-দুৱাৰ, বিশ্বনাথ, কলিয়াবৰ আৰু ঢকুৱাখনাত প্ৰচাৰ চলায়।

নিখিল ভাৰত মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী অলকা লাম্বাই শিলচৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী অভিজিৎ পাল আৰু বৰখলা বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ডাঃ অমিত কালোৱাৰৰ সমৰ্থনত কালি শিলচৰৰ অম্বিকাপুৰ, সুভাষ নগৰ আৰু বৰখলাত নিৰ্বাচনী প্ৰচাৰ চলায়।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ কোচবিহাৰত নিৰ্বাচনী সভাত ভাগ ল'ব। শ্ৰীমোদীয়ে কোচবিহাৰৰ ৰাসমেলা ময়দানত আয়োজিত সভাত কোচবিহাৰ জিলাৰ ৮ খন আৰু আলিপুৰ দুৱাৰৰ ৫ খনৰ আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিজেপি সমৰ্থিত প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলাব।

কেৰলম্ বিধানসভা নিৰ্বাচনৰ বাবেও প্ৰচাৰ অভিযান তুংগত উঠিছে। ৰাজ্যখনৰ ১৪০ খন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা শাসক বিৰোধী উভয় পক্ষৰ নেতাসকলে জনসাধাৰণৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বেয়প'ৰত ৰোড শ্ব'ত অংশ ল'ব আৰু কাট্টাকাড়াত এখন নিৰ্বাচনী সভাত ভাষণ দিব। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই পেৰুমেডু আৰু কট্টাৰাক্কাড়াত দলৰ হৈ প্ৰচাৰ চলাব। চি পি আই এমৰ সাধাৰণ সম্পাদক এম এ বেবীয়েও আজি ৰাজ্যখনৰ বিভিন্ন স্থানত প্ৰচাৰ অভিযানত ভাগ ল'ব।

ooooo

ভাৰতীয়সকলৰ নিৰাপত্তাৰ ক্ষেত্ৰত বিশেষকৈ মধ্যপ্ৰাচ্যত থকা কেৰলমৰ নাগৰিকসকলক চৰকাৰে উচ্চ অগ্ৰাধিকাৰ দিব। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে কালি কেৰলমৰ থিৰুভাল্লাত অনুষ্ঠিত এন ডি এৰ এখন নিৰ্বাচনী সভাত ভাষণ দি এইদৰে কয়। শ্ৰীমোদীয়ে কয়, যে এই কঠিন ভূ-ৰাজনৈতিক পৰিস্থিতিৰ সময়ত মধ্যপ্ৰাচ্যৰ দেশসমূহত থকা ভাৰতীয়সকলক নিৰাপত্তা দিয়াৰ বাবে চৰকাৰে উপসাগৰীয় দেশসমূহৰ সৈতে সঘন যোগাযোগ অব্যাহত ৰাখিছে।

ooooo

পশ্চিম এছিয়াৰ সংঘৰ্ষৰ বাবে ইৰাণত আবদ্ধ হৈ পৰা ৩৪৫ গৰাকী ভাৰতীয় মাছমৰীয়া কালি সন্ধিয়া নিৰাপদে চেন্নাইত উপস্থিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, সংঘৰ্ষজৰ্জৰ এলেকাত আৱদ্ধ দেশৰ নাগৰিকসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে চলাই অহা অবিৰত প্ৰচেষ্টাৰ অংশহিচাপে এই মাছমৰীয়াসকলক আৰ্মেনিয়াৰ পথেৰে স্বদেশলৈ ওভতাই অনা হয়। ইয়াৰ পূৰ্বে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে সামাজিক মাধ্যম যোগে মাছমৰীয়াসকলক ওভতাই অনাত সহায় কৰাৰ বাবে আৰ্মেনিয়াৰ চৰকাৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ লগতে সংঘৰ্ষৰ মাজতে ইৰাণৰ পৰা ভাৰতৰ নাগৰিকসকলৰ নিৰাপদ ওভতনি যাত্ৰা সুনিশ্চিত কৰাৰ বাবে আৰ্মেনিয়াৰ বিদেশ মন্ত্ৰী আৰাৰত মিৰ্জ'য়ানক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে যোৱা বৃহস্পতিবাৰে এহেজাৰ ২০০তকৈও অধিক ভাৰতীয় নাগৰিকক ইৰাণৰ পৰা নিৰাপদে উদ্ধাৰ কৰা বুলি আৰু ইয়াৰে ৯৯৬ গৰাকী আৰ্মেনিয়াত উপস্থিত হোৱা বুলি প্ৰকাশ কৰিছিল।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে টেহৰানত কৰা আক্ৰমণত ইৰাণৰ কেইবাগৰাকীও সেনা বিষয়া নিহত হোৱা বুলি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে সামাজিক মাধ্যম যোগে মাৰ্কিন সেনাৰ অভিযানৰ ভিডিঅ' শ্বেয়াৰ কৰি আক্ৰমণত টেহৰানৰ ব্যাপক ক্ষতি হোৱা বুলিও দাবী কৰিছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰাণক হৰমুজ প্ৰণালী মুকলি কৰি দিয়াৰ বাবে ৪৮ ঘণ্টাৰ সময়সীমা বান্ধি দিছে। শ্ৰীট্ৰাম্পে সামাজিক মাধ্যম যোগে কয়, যে ইৰাণৰ ওচৰত চুক্তি কৰা বা হৰমুজ প্ৰণালী মুকলি কৰি দিয়াৰ বাবে এতিয়া আৰু ৪৮ ঘণ্টাহে বাকী আছে। এই সময় সীমা শেষ হোৱাৰ পাছত ইৰাণ ভয়াৱহ পৰিমাণৰ সন্মুখীন হ'ব বুলি তেওঁ সকীয়াই দিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে বাৰে বাৰে ইৰাণৰ শক্তিক্ষেত্ৰসমূহক লক্ষ্য কৰি বোমা বৰ্ষণৰ ভাবুকি দিয়াৰ লগতে যুদ্ধৰ অৱসান ঘটোৱাৰ বাবে কূটনৈতিক সমাধানৰ কথা কৈ আহিছে। অৱশ্যে ইৰাণে যুদ্ধৰ অৱসানৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰই আগবঢ়োৱা প্ৰস্তাৱ একপক্ষীয় আৰু অনুচিত আখ্যা দি প্ৰত্যাখ্যান কৰিছে।

ooooo

ইছলামিক ষ্টেটছ চমুকৈ আইছিচকে ধৰি কেইবাটাও সন্ত্ৰাসবাদী সংগঠনে কম খৰচী, দ্ৰুতবেগী আৰু নিমিষতে গোলকীয় সংযোগ স্থাপন কৰিব পৰা সামাজিক মাধ্যমৰ মঞ্চসমূহৰ অপব্যৱহাৰৰ জৰিয়তে নিজৰ সন্ত্ৰাসবাদী আদৰ্শ প্ৰচাৰ, সদস্য ভৰ্তি আৰু আক্ৰমণ আদি কাৰ্য সংঘটিত কৰি আহিছে। নিউয়ৰ্কৰ এটা নীতি নিৰ্ধাৰণ তথা বিশেষজ্ঞ গোট গেটষ্টোন প্ৰতিষ্ঠানৰ প্ৰতিবেদনত এই কথা প্ৰকাশ পাইছে। প্ৰতিবেদনখনত লগতে এই কথাও উল্লেখ কৰা হৈছে যে, সামাজিক মাধ্যমৰ মঞ্চসমূহৰ যোগেৰে সন্ত্ৰাসবাদী গোটসমূহে নিজৰ আদৰ্শ প্ৰচাৰৰ লগতে আৱেগিক আৰু মনস্তাত্বিকভাৱে প্ৰৰোচিত কৰি শিশু আৰু যুৱ প্ৰজন্মকো নিজৰ প্ৰতি আকৰ্ষিত কৰি আহিছে। বৰ্তমান বিশ্বৰ দেশসমূহৰ বাবে বিশেষকৈ প্ৰশান্ত মহাসাগৰীয় অঞ্চলত চাইবাৰ সমৰ্থিত সন্ত্ৰাসবাদ জটিল ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয় হৈ পৰিছে। ভাৰতৰ জম্মু-কাশ্মীৰ তথা ভাৰত উপ মহাদেশ আৰু দক্ষিণ-পূৱ এছিয়াৰ যুৱ সমাজক সামাজিক মাধ্যমৰ জৰিয়তে সন্ত্ৰাসবাদী জালত পেলাই সন্ত্ৰাসবাদী গোটত অনলাইন মাধ্যমেৰে ভৰ্তি কৰোৱা হৈছে।

প্ৰতিবেদনখনত প্ৰকাশ পোৱা অনুসৰি ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত আইছিছ্ আৰু ইয়াৰ সমৰ্থনকাৰী অন্যান্য সন্ত্ৰাসবাদী গোটসমূহে প্ৰচাৰ চলাই আহিছে। ২০২৫ বৰ্ষৰ ১৪ ডিচেম্বৰত অষ্ট্ৰেলিয়াৰ বন্দী বিটচ্চত হোৱা আক্ৰমণ আৰু একেটা বৰ্ষৰ ১০ নৱেম্বৰত ভাৰতৰ নতুন দিল্লীৰ লালকিল্লাত হোৱা আক্ৰমণ ইয়াৰেই অংশ বিশেষ আছিল। য'ত পদ্ধতিগতভাৱে সামাজিক মাধ্যম ব্যৱহাৰ কৰি  অস্ত্ৰ চালনাৰে আক্ৰমণ চলোৱা হৈছিল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত ৰাজস্থান ৰয়েলছে গুজৰাট টাইটানছক ৬ ৰানত পৰাস্ত কৰে। গুজৰাট টাইটানছে ২১১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটে হেৰুৱাই ২০৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ ছাই সুদৰ্শনে ৭৩ ৰান কৰে যদিও খেলুৱৈগৰাকীৰ চেষ্টা অথলে যায়।  খেলখনৰ অন্তিম অভাৰত গুজৰাট টাইটানছক জয়ৰ বাবে ১১ ৰানৰ প্ৰয়োজন আছিল যদিও তুষাৰ দেশপাণ্ডেই সুন্দৰ বলিঙেৰে প্ৰতিপক্ষক ৪ ৰানহে সংগ্ৰহ কৰিবলৈ দিয়ে আৰু ৰাছিদ খানৰ উইকেটো দখল কৰে। ৰাজস্থান ৰয়েলছৰ হৈ ৰবি বিষ্ণ'ই ৪টা

উইকেট দখল কৰে। ৰবি বিষ্ণ'ইক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছ্‌ত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ২১০ ৰান কৰে। ৰাজস্থানৰ হৈ ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৭৫ ৰান কৰে। যশস্বী জয়ছোৱালে ৫৫ আৰু বৈভৱ সূৰ্যবংশীয়ে ৩১ ৰানৰ বৰঙণি আগবঢ়ায়। গুজৰাটৰ হৈ কাগিছো ৰাবাদাই দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ডেলহি কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাভূত কৰে। ডেলহি কেপিটেলছে ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি সমীৰ ৰিজৱিৰ আকৰ্ষণীয় ৯০ ৰানৰ সহায়ত ১৮ অভাৰ আৰু এটা বলত ৪টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ আগেয়ে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৬২ ৰান কৰে।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। হায়দৰাবাদত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

**সমাপ্ত**